# বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭

(১৯৮৭ৰ ৩৯নং)

(১৯৮৭ৰ ১১অক্টোবৰ)

আৰ্থিক বা আন অক্ষমতাৰ কাৰণত কোনো নাগৰিকক ন্যায় প্ৰাপ্ত কৰাৰ সুবিধাৰ পৰা যাতে বঞ্চিত কৰা নহয় তাক সুনিশ্চিত কৰিবলৈ সমাজৰ দুৰ্বল শ্ৰেণীলৈ বিনামূলীয়া আৰু দক্ষতাপূৰ্ণ বিধিক সেৱাৰ উপবন্ধ কৰি বিধিক সেৱা প্ৰাধিকৰণ গঠন কৰিবলৈ আৰু বিধিক পদ্ধতিৰ প্ৰৱৰ্ত্তনে যাতে সমান সুবিধাৰ আধাৰত ন্যায় অভিবৃদ্ধি কৰে তাক সুনিশ্চিত কৰিবলৈ লোক আদালতসমূহ সংগঠন কৰাৰ অৰ্থে এখনি অধিনিয়ম ।

ভাৰত গণৰাজ্যৰ অষ্টত্ৰিংশ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ-

## অধ্যায় I

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ ।

১। (১) এই অধিনিয়মখন বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭ বুলি অভিহিত হব ।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হৈছে ।

(৩) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত ই বলবৎ হব, আৰু এই অধিনিয়মখনৰ বিভিন্ন উপবন্ধসমূহৰ বাবে আৰু বিভিন্ন ৰাজ্যসমূহৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰিব আৰু কোনো ৰাজ্য সম্পৰ্কে এই অধিনিয়মখনৰ কোনো উপবন্ধত থকা প্ৰাৰম্ভৰ কোনো প্ৰসঙ্গ নিৰ্দেশক সেই ৰাজ্যখনত সেই উপবন্ধৰ প্ৰাৰম্ভলৈ থকা প্ৰসঙ্গ নিৰ্দেশ বুলি অৰ্থ কৰিব ।

পৰিভাষা।

২। (১) এই অধিনিয়মখনত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,

১[(ক) "মোকৰ্দমা" ই কোনো ন্যায়ালয়ত তৰা কোনো বাদ বা কাৰ্যবাহীক অন্তৰ্ভুক্ত কৰে ;

(কক) "কেন্দ্ৰীয় প্ৰাধিকৰণ" মানে ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় বিধিক সেৱা প্ৰাধিকৰণ ;

(ককক) "ন্যায়ালয়" মানে কোনো চিভিল, দাণ্ডিক বা ৰাজহ ন্যায়ালয় আৰু ই ন্যায়িক আৰু অন্যায়িক কৃত্যসমূহ প্ৰয়োগ কৰিবলৈ তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত গঠিত হোৱা কোনো ন্যায়াধিকৰণৰ বা কোনো আন প্ৰাধিকৰণক অন্তৰ্ভুক্ত কৰে ;]

(খ) "জিলা প্ৰাধিকৰণ" মানে ধাৰা ৯ৰ অধীনত গঠিত হোৱা জিলা বিধিক সেৱা প্ৰাধিকৰণ ;

২[(খখ) "উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি" মানে ধাৰা ৮কৰ অধীনত গঠিত হোৱা কোনো উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি ;]

(গ) "বিধিক সেৱা" ই কোনো ন্যায়ালয় বা আন প্ৰাধিকৰণ বা ন্যায়াধিকৰণৰ সমক্ষত কোনো মোকৰ্দমা বা আন বিধিক কাৰ্যবাহীৰ পৰিচালনাত কোনো সেৱা প্ৰদান আৰু কোনো বিধিক বিষয়ত উপদেশ দিয়াক অন্তৰ্ভুক্ত কৰে ;

(ঘ) "লোক আদালত" মানে অধ্যায় ৬ৰ অধীনত সংগঠিত কৰা লোক আদালত ;

(ঙ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত হোৱা অধিসূচনা ;

(চ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মৰ দ্বাৰা বিহিত ;

৩[(চচ) "বিনিয়ম" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত হোৱা বিনিয়ম ;]

(ছ) "আঁচনি" মানে এই অধিনিয়মখনৰ উপবন্ধসমূহৰ যি কোনোটোক প্ৰভাৱী কৰাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ বা জিলা প্ৰাধিকৰণৰ দ্বাৰা ৰচনা কৰা কোনো আঁচনি ;

(জ) "ৰাজ্যিক প্ৰাধিকৰণ" মানে ধাৰা ৬ৰ অধীনত গঠিত ৰাজ্যিক বিধিক সেৱা প্ৰাধিকৰণ ;

---

১। ১৯৯৪ৰ ৫৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২। উক্ত অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত

৩। ১৯৯৪ৰ ৫৯ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত ।

(ঝ) "ৰাজ্য চৰকাৰে" সংবিধানৰ অনুচ্ছেদ ২৩৯ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসকক অন্তৰ্ভুক্ত কৰে।

১[(ঞ) "উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি" মানে ধাৰা ৩ক ৰ অধীনত গঠিত হোৱা উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি ;

(ট) "তালুক বিধিক সেৱা সমিতি" মানে ধাৰা১১ক ৰ অধীনত গঠিত হোৱা তালুক বিধিক সেৱা সমিতি]

(২) কোনো অঞ্চল সম্পৰ্কে বলবৎ নোহোৱা এনে কোনো অধিনিয়মিতি বা উপবন্ধ সেই বিষয়ে থকা আন কোনো অধিনিয়মিতি বা কোনো উপবন্ধলৈ থকা এই অধিনিয়মখনৰ কোনো প্ৰসঙ্গ নিৰ্দেশক, সেই অঞ্চলত বলবৎ হোৱা কোনো তদনুৰূপ বিধি বা তদনুৰূপ বিধিৰ সুসঙ্গত উপবন্ধলৈ যদি কিবা থাকে, দিয়া প্ৰসঙ্গ নিৰ্দেশৰ দৰে অৰ্থ কৰিব।

## অধ্যায় II
## ৰাষ্ট্ৰীয় বিধিক সেৱা প্ৰাধিকৰণ

ৰাষ্ট্ৰীয় বিধিক সেৱা প্ৰাধিকৰণৰ গঠন।

২[৩।(১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণক প্ৰদান কৰা বা আৰোপিতক্ষমতাসমূহ কাৰ্য্যকৰী কৰিবলৈ আৰু কাৰ্যসমূহ সম্পাদিত কৰিবলৈ ৰাষ্ট্ৰীয় বিধিক সেৱা প্ৰাধিকৰণ নামেৰে এটা নিকায় গঠন কৰিব।

(২) কেন্দ্ৰীয় প্ৰাধিকৰণ নিম্ন লিখিত সমূহেৰে গঠিত হব -

(ক) ভাৰতৰ মুখ্য ন্যায়াধীশ, যিজন মুখ্য পৃষ্ঠপোষক ;

(খ) ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে, যিজন কাৰ্য্যবাহী সদস্য হব পৰামৰ্শ কৰি ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ সেৱাৰত বা অৱসৰ প্ৰাপ্ত এজন ন্যায়াধীশক মনোনীত কৰিব ; আৰু

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা অনুসৰি এনে অভিজ্ঞতা আৰু অৰ্হতাসম্পন্ন এনে সংখ্যাক, আন সদস্য ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি সেই চৰকাৰৰ দ্বাৰা মনোনীত কৰা হব।

(৩) কেন্দ্ৰীয় চৰকাৰে সেই চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে সেই প্ৰাধিকৰণৰ কাৰ্য্যবাহী অধ্যক্ষৰ দ্বাৰা তেওঁক আৰোপিত কৰা মতে কেন্দ্ৰীয় প্ৰাধিকৰণৰ কাৰ্য্যবাহী অধ্যক্ষৰ অধীনত এনে ক্ষমতাসমূহৰ কাৰ্য্যকৰী কৰিবলৈ আৰু এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিবলৈ, সেই চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে অভিজ্ঞতা থকা আৰু অৰ্হতা সম্পন্ন ব্যক্তিক, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্য সচিব হিচাবে নিযুক্ত কৰিব।

(৪) কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্যসমূহৰ আৰু সদস্য-সচিবজনৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্ত্তসমূহ ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা মতে হব।

(৫) কেন্দ্ৰীয় প্ৰাধিকৰণে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ দক্ষতাপূৰ্ণ নিৰ্বহনৰ বাবে ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি,কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীসমূহক নিযুক্ত কৰিব পাৰে।

(৬) কেন্দ্ৰীয় প্ৰাধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰীসমূহ , ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা মতে এনে বেতন আৰু ভাত্তাসমূহৰ বাবে হকদাৰ হব আৰু সেৱাৰ এনে আন চৰ্ত্তসমূহৰ অধ্যধীন হব।

(৭) কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্য-সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীসমূহক প্ৰদেয় বেতন, ভাত্তা আৰু পেঞ্চনসমূহ অন্তৰ্ভুক্ত কৰি কেন্দ্ৰীয় প্ৰাধিকৰণৰ প্ৰশাসনীয় খৰচসমূহ ভাৰতৰ সঞ্চিত নিধিৰ পৰা বহন কৰিব।

(৮) কেন্দ্ৰীয় প্ৰাধিকৰণৰ সকলো আদেশ আৰু বিনিশ্চিয় সদস্য-সচিবজনৰ দ্বাৰা বা সেই প্ৰাধিকৰণৰ কাৰ্য্যবাহী অধ্যক্ষজনৰ দ্বাৰা সম্যকভাবে প্ৰাধিকৃত কেন্দ্ৰীয় প্ৰাধিকৰণৰ আন কোনো পদাধিকাৰীৰ দ্বাৰা প্ৰমাণীকৃত কৰা হব।

---

১। ১৯৯৪ৰ ৫৯নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৯৪ৰ ৫৯নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৯) কেন্দ্ৰীয় প্ৰাধিকৰণৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী, কেন্দ্ৰীয় প্ৰাধিকৰণত থকা কোনো পদৰিক্তি বা ইয়াৰ অধীনত কোনো ত্ৰুটী থকাৰ আধাৰত মাথোন অবিধিমান্য নহব।

উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি।

৩ক। (১) কেন্দ্ৰীয় প্ৰাধিকৰণে কেন্দ্ৰীয় প্ৰাধিকৰণৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা অৱধাৰিত কৰা মতে এনে ক্ষমতাসমূহ প্ৰয়োগ কৰাৰ আৰু এনে কৃত্যসমূহ সম্পাদন কৰাৰ প্ৰয়োজনাৰ্থে উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি নামেৰে এখন সমিতি গঠন কৰিব।

(২) সমিতিখন নিম্নোক্তসকলেৰে গঠিত হব --

(ক) উচ্চতম ন্যায়ালয়ৰ এজন পদাধিষ্ঠ ন্যায়াধীশ, যি ইয়াৰ অধ্যক্ষ হব ; আৰু

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা থকা ভাৰতৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা মনোনীত হব লগীয়া এনে সংখ্যক আন সদস্য।

(৩) ভাৰতৰ মুখ্য ন্যায়াধীশে, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সমূহ থকা কোনো এজন ব্যক্তিক সমিতিৰ সচিব হিচাপে নিযুক্ত কৰিব।

(৪) সমিতিখনৰ সদস্য আৰু সচিবজনৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্ত্তসমূহ, কেন্দ্ৰীয় প্ৰাধিকৰণৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা অৱধাৰিত কৰা মতে এনেধৰণৰ হব।

(৫) কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ইয়াৰ কৃত্যসমূহৰ দক্ষতাপূৰ্ণ নিৰ্বহনৰ বাবে, বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ নিযুক্ত কৰিব পাৰে।

(৬) সমিতিখনৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ এনে বেতন আৰু ভাত্তাসমূহ পোৱাৰ বাবে হকদাৰ হব আৰু ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা মতে সেৱাৰ এনে আন চৰ্ত্তসমূহৰ অধ্যধীন হব।

কেন্দ্ৰীয় প্ৰাধিকৰণৰ কৃত্যসমূহ।

৪। কেন্দ্ৰীয় প্ৰাধিকৰণে [১][* * * *] নিম্নলিখিত কৃত্যসমূহৰ সকলো বা কোনোটো সম্পাদিত কৰিব, অৰ্থাৎ ঃ-

(ক) এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত বিধিক সেৱা উপলব্ধ কৰিবলৈ আঁচনি আৰু প্ৰক্ৰিয়া প্ৰণয়ন কৰা।

(খ) এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত বিধিক সেৱা উপলব্ধ কৰাৰ প্ৰয়োজনাৰ্থে অতি প্ৰভাৱী আৰু অৰ্থনৈতিক আঁচনিসমূহ প্ৰস্তুত কৰা;

(গ) ইয়াৰ ব্যৱস্থাধীনত থকা নিধিসমূহ সদব্যৱহাৰ কৰা আৰু ৰাজ্যিক প্ৰাধিকৰণ আৰু জিলা প্ৰাধিকৰণলৈ নিধিসমূহৰ সমুচিত বণ্টন কৰা;

(ঘ) সমাজৰ দুৰ্বল শ্ৰেণীসমূহলৈ উপভোক্তা সুৰক্ষা, পৰিবেশিক সুৰক্ষা বা কোনো আন বিশেষ সম্বন্ধ অৱধানত ৰাখি সামাজিক ন্যায়বাদকৰণৰ দ্বাৰা আৱশ্যকীয় ব্যৱস্থা লব আৰু এই প্ৰয়োজনাৰ্থে বিধিক দক্ষতাৰ বাবে সমাজ কৰ্মীসমূহক প্ৰশিক্ষণ দিয়া;

(ঙ) লোক আদালতৰ জৰিয়তে সমাজৰ দুৰ্বল শ্ৰেণীসমূহক তেওঁলোকৰ অধিকাৰ সম্বন্ধে শিক্ষিত কৰা আৰু বিবাদবোৰ নিষ্পত্তি কৰা দ্বৈত উদ্দেশ্যে-বিশেষকৈ গাৱলীয়া অঞ্চলত, বস্তি অঞ্চল বা শ্ৰমিক কলনিত বিধিক সাহায্য শিবিৰ সংগঠন কৰা;

(চ) পৰক্ৰামণ মধ্যস্থতা আৰু চালিচীৰ দ্বাৰা বিবাদসমূহৰ নিষ্পত্তিকৰণত উৎসাহিত কৰা;

(ছ) দুখীয়া লোকসকলৰ মাজত এনে সেৱাসমূহৰ আৱশ্যকতালৈ বিশেষ নিৰ্দেশসহ বিধিক সেৱা সমূহৰ ক্ষেত্ৰত গৱেষণাৰ কাম হাতত লোৱা আৰু উন্নীত কৰা;

(জ) সংবিধানৰ ভাগ ৪ক ৰ অধীনত নাগৰিকসমূহৰ মৌলিক দায়িত্বসমূহৰ বাবে প্ৰতিশ্ৰুতি সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে আৱশ্যকীয় সকলো কাৰ্য্য কৰা;

(ঝ) সাময়িকী ব্যৱধানত বিধিক সাহায্য কাৰ্য্যক্ৰমত প্ৰয়োগৰ তদাৰক আৰু মূল্য নিৰ্ণয় কৰিব আৰু এই অধিনিয়মৰ অধীনত ব্যৱস্থা কৰা নিধিৰ দ্বাৰা পূৰ্ণতঃ বা ভাগতঃ প্ৰয়োগ হোৱা কাৰ্য্যক্ৰম আৰু আঁচনি সমূহৰ স্বতন্ত্ৰাধীনভাৱে মূল্য নিৰ্ণয় কৰাৰ বাবে উপবন্ধ কৰা ;

১। ১৯৯৪ৰ ৫৯নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা লোপ কৰা হৈছে।

[১][(ঞ) এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত বিধিক সেৱা আঁচনিসমূহৰ প্ৰয়োগৰ বাবে ইয়াৰ ব্যৱস্থাধিকাৰত ৰখা ধনৰাশিৰ পৰা বিভিন্ন স্বেচ্ছামূলক সমাজ সেৱা সংগঠন আৰু ৰাজ্যিক আৰু জিলা প্ৰাধিকৰণ সমূহলৈ সহায়ক অনুদানৰ ব্যৱস্থা কৰা ;]

(ট) ভাৰতৰ উকীল পৰিষদৰ সৈতে পৰামৰ্শ কৰি ক্লিনিকেল বিধিক শিক্ষাৰ কাৰ্য্যক্ৰমসমূহৰ বিকাশ সাধন কৰা আৰু বিশ্ববিদ্যালয়সমূহ, আইন মহাবিদ্যালয় আৰু আন সংস্থাসমূহত বিধিক সেৱা ক্লিনিকৰ সংস্থাপনা আৰু কাম কাজত পথ প্ৰদৰ্শন আৰু পৰ্য্যবেক্ষণ উন্নীত কৰা ;

(ঠ) জনগণৰ মাজত বিধিক স্বাক্ষৰতা আৰু বিধিক সচেতনতা বিস্তাৰ কৰাৰ বাবে সমুচিত ব্যৱস্থা লোৱা বিশেষতঃ সমাজ কল্যাণ আইন প্ৰণয়ন আৰু আন অধিনিয়মিতিসমূহ আৰু প্ৰশাসনীয় কাৰ্যক্ৰম আৰু বিধানৰ দ্বাৰা প্ৰত্যাভূতি দিয়া অধিকাৰ, হিত আৰু সা-সুবিধাবোৰৰ বিষয়ে সমাজৰ দুৰ্বল শ্ৰেণীক শিক্ষা দিয়া ;

(ড) বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি, মহিলা আৰু গাৱলীয়া আৰু চহৰীয়া শ্ৰমিক সমূহৰ মাজত তৃণমূল পৰ্য্যায়ত কাম কৰা স্বেচ্ছামূলক সমাজ কল্যাণ সংস্থাৰ সাহায্য পোৱাৰ বাবে বিশেষ প্ৰচেষ্টা কৰা ; আৰু

(ঢ) [২][ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণ, উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি, উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি, তালুক বিধিক সেৱা সমিতি আৰু স্বেচ্ছামূলক সমাজ সেৱা সংস্থাসমূহৰ আৰু আন বিধিক সেৱা সংস্থাসমূহৰ কৃত্যসমূহৰ সমন্বয় ৰাখিব আৰু তদাৰক কৰিব । আৰু বিধিক সেৱাসমূহৰ কাৰ্য্যক্ৰমৰ সমুচিত প্ৰয়োগৰ বাবে সাধাৰণ নিৰ্দেশনা দিয়া ।

কেন্দ্ৰীয় প্ৰাধিকৰণে আন এজেন্সিৰ সৈতে সমন্বয় ৰাখি কাম কৰিব।

৫। এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত, কেন্দ্ৰীয় প্ৰাধিকৰণে যেতিয়াই সমুচিত হয়, দুখীয়াসকলকলৈ বিধিক সেৱা উন্নীত কৰাৰ কাৰ্য্যত ৰত হোৱা চৰকাৰী আৰু বে-চৰকাৰী এজেন্সিসমূহ, বিশ্ববিদ্যালয় আৰু আনবোৰৰ সৈতে সমন্বয় ৰাখি কাৰ্য্য কৰিব ।

## অধ্যায় III
## ৰাজ্যিক বিধিক সেৱা প্ৰাধিকৰণ

ৰাজ্যিক বিধিক সেৱা প্ৰাধিকৰণৰ গঠন।

[৩][৬। (১) প্ৰত্যেক ৰাজ্য চৰকাৰে, এই অধিনিয়মখনৰ অধীনত কোনো ৰাজ্যিক প্ৰাধিকৰণক প্ৰদান কৰা বা সমনুদেশিত কৰা ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু কৃত্যসমূহ সম্পাদন কৰিবলৈ বিধিক সেৱা প্ৰাধিকৰণ নামেৰে এটা নিকায় গঠন কৰিব ।

(২) কোনো ৰাজ্যিক প্ৰাধিকৰণ নিম্ন লিখিতসকলেৰে গঠিত হ'ব -

(ক) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ যিজন মুখ্য পৃষ্ঠপোষক হব ;

(খ) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্যপালে এজন উচ্চ ন্যায়ালয়ৰ সেৱাৰত বা অৱসৰ প্ৰাপ্ত ন্যায়াধীশ মনোনীত কৰিব, যিজন কাৰ্য্যবাহী অধ্যক্ষ হব ; আৰু

(গ) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি সেই চৰকাৰৰ দ্বাৰা মনোনীত হ'বলগীয়া সেই ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সম্পন্ন এনে সংখ্যক আন সদস্য।

(৩) ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, জিলা ন্যায়াধীশৰ পদমৰ্যাদাৰ নিম্ন নোহোৱা, ৰাজ্যিক উচ্চতৰ ন্যায়িক সেৱাত থকা কোনো এজন ব্যক্তিক সেই চৰকাৰৰ দ্বাৰা বিহিত কৰাৰ মতে বা সেই প্ৰাধিকৰণৰ কাৰ্যবাহী অধ্যক্ষৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা মতে ৰাজ্যিক প্ৰাধিকৰণৰ কাৰ্য্যবাহী অধ্যক্ষৰ অধীনত এনে ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু এনে কৰ্ত্তব্যসমূহ সম্পাদন কৰিবলৈ ৰাজ্যিক প্ৰাধিকৰণৰ , সদস্য-সচিব হিচাবে নিযুক্তি দিব ঃ

পৰন্তু ৰাজ্যিক প্ৰাধিকৰণ গঠনৰ তাৰিখৰ অব্যৱহিত পূৰ্বে ৰাজ্যিক বিধিক সাহায্য আৰু উপদেষ্টা বোৰ্ডৰ সচিব ৰূপে কৃত্য কৰা কোনো ব্যক্তিক সেই প্ৰাধিকৰণৰ সদস্য সচিবৰূপে এনেৰূপে নিযুক্ত হবলৈ অৰ্হতা সম্পন্ন নহলেও অনধিক পাঁচ বছৰ কালৰ বাবে নিযুক্ত কৰিব পাৰিব ।

---

১। ১৯৯৪ৰ ,৫৯নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিস্থাপিত।

২। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিস্থাপিত ।

৩। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা প্ৰতিস্থাপিত।

(৪) ৰাজ্যিক প্ৰাধিকৰণৰ সদস্যসমূহ আৰু সদস্য সচিবৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্ত্তসমূহ, উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্যিক চৰকাৰে যেনেদৰে বিহিত কৰে তেনেদৰেই হব।

(৫) ৰাজ্যিক প্ৰাধিকৰণে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ, সুদক্ষ নিৰ্বহনৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ নিযুক্ত কৰিব পাৰে।

(৬) ৰাজ্যিক প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দই উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে বেতন আৰু ভাত্তাসমূহৰ বাবে হকদাৰ হব আৰু সেৱাৰ এনে আন চৰ্ত্তসমূহৰ অধ্যধীন হব।

(৭) ৰাজ্যিক প্ৰাধিকৰণৰ সদস্য-সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক প্ৰদেয় বেতন, ভাত্তা আৰু পেঞ্চনঅন্তৰ্ভুক্ত কৰি, ৰাজ্যিক প্ৰাধিকৰণৰ সকলো প্ৰশাসনীয় খৰচ ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা বহন কৰা হব।

(৮) ৰাজ্যিক প্ৰাধিকৰণৰ সকলো আদেশ আৰু বিনিশ্চয় ৰাজ্যিক প্ৰাধিকৰণৰ সদস্য-সচিব বা ৰাজ্যিক প্ৰাধিকৰণৰ কাৰ্য্যবাহী অধ্যক্ষৰ দ্বাৰা সম্যকভাবে প্ৰধিকৃত হোৱা আন কোনো পদাধিকাৰীৰ দ্বাৰা প্ৰমাণীকৃত কৰিব।

(৯) ৰাজ্যিক প্ৰাধিকৰণৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী ৰাজ্যিক প্ৰাধিকৰণত থকা কোনো পদৰিক্তি বা ইয়াৰ গঠনত কোনো ত্ৰুটি থকাৰ আধাৰত মাথোন অবিধিমান্য নহব।]

ৰাজ্যিক প্ৰাধিকৰণৰ কৃত্যসমূহ।

৭।(১) কেন্দ্ৰীয় প্ৰাধিকৰণৰ নীতি আৰু নিৰ্দেশসমূহ কাৰ্য্যকৰী কৰাটো ৰাজ্যিক প্ৰাধিকৰণৰ কৰ্ত্তব্য হব।

(২) উপধাৰা (১)ত নিৰ্দেশিত কৃত্যসমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক প্ৰাধিকৰণে নিম্নলিখিত কৃত্যসমূহৰ সকলো বা যিকোনোটো সম্পাদন কৰিব ; অৰ্থাৎ ঃ-.

(ক) এই অধিনিয়মৰ অধীনত লিপিবদ্ধ কৰা নিৰ্ণায়কসমূহ পূৰণ কৰিব পৰা কোনো ব্যক্তিক বিধিক সেৱা দিয়া ;

(খ) [1][ উচ্চ ন্যায়ালয়ৰ গোচৰসমূহৰ বাবে থকা লোক আদালতসমূহক অন্তৰ্ভুক্ত কৰি লোক আদালত পৰিচালনা কৰা ;]

(গ) প্ৰতিৰোধমূলক আৰু কৌশলমূলক বিধিক সাহায্য কাৰ্য্যক্ৰম গ্ৰহণ কৰা ; আৰু

(ঘ) [2][কেন্দ্ৰীয় প্ৰাধিকৰণ ]ৰ সৈতে পৰামৰ্শ কৰি ৰাজ্যিক প্ৰাধিকৰণে বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰাৰ দৰে এনে আন কৃত্যসমূহ সম্পাদন কৰা।

ৰাজ্যিক প্ৰাধিকৰণে আন এজেঞ্চি ইত্যাদিৰ সৈতে সমন্বয় ৰাখি কাৰ্য্য কৰিব, আৰু কেন্দ্ৰীয় প্ৰাধিকৰণে দিয়া নিৰ্দেশৰ অধ্যধীন হব।

[3][৮। ৰাজ্যিক প্ৰাধিকৰণে ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত, দুখীয়াসকলৰ বিধিক সেৱা উন্নীত কৰাৰ কাৰ্য্যতৰত হোৱা আন চৰকাৰী এজেঞ্চি,বেচৰকাৰী স্বেছামূলক সমাজ সেৱা সংস্থা, বিশ্ববিদ্যালয়সমূহ আৰু আন নিকায় সমূহৰ লগত সমন্বয় ৰাখি সুমুচিতভাবে কাৰ্য্য কৰিব আৰু কেন্দ্ৰীয় প্ৰাধিকৰণে লিখিতভাবে ইয়ালৈ দিয়া মতে এনে পথ নিৰ্দেশনৰ দ্বাৰা চালিত হব।

উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি।

৮ক। (১) ৰাজ্যিক প্ৰাধিকৰণে ইয়াৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা মতে এনে ক্ষমতা সমূহ প্ৰয়োগ কৰা আৰু এনে কৃত্যসমূহ সম্পাদন কৰাৰ প্ৰয়োজনাৰ্থে, প্ৰত্যেক উচ্চ ন্যায়ালয়ৰ বাবে উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি নামেৰে এখন সমিতি গঠন কৰিব।

(২) সমিতিখন নিম্নোক্ত সকলেৰে গঠিত হব -

(ক) উচচ ন্যায়ালয়ৰ এজন পদাধিষ্ঠ ন্যায়াধীশ যিজন ইয়াৰ অধ্যক্ষ হব ; আৰু

(খ) ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সম্পন্ন এনে সংখ্যক আন সদস্য সকল যিসকল উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা মনোনীত হব।

---

১। ১৯৯৪ চনৰ ৫৯নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ১৯৯৪ চনৰ ৫৯নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। ১৯৯৪ চনৰ ৫৯নং অধিনিয়মৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(৩) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সম্পন্ন এজন ব্যক্তিক সমিতিৰ সচিব হিচাবে নিযুক্তি দিব।

(৪) সমিতিৰ সদস্যসকল আৰু সচিবৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্তসমূহ, ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা মতে হব।

(৫) সমিতিখনে ইয়াৰ কৃত্যসমূহৰ সুদক্ষ নিৰ্বহনৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, ৰাজ্য চৰকাৰে বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ নিযুক্তি দিব পাৰে।

(৬) সমিতিখনৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ এনে বেতন আৰু ভাত্তাসমূহৰ বাবে হকদাৰ হব আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে সেৱাৰ এনে আন চৰ্তসমূহৰ অধ্যধীন হব।

জিলা বিধিক সেৱা প্ৰাধিকৰণ।

৯। (১) ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, এই অধিনিয়মৰ অধীনত জিলা প্ৰাধিকৰণৰ ওপৰত প্ৰদত্ত বা আৰোপিত কৰা ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু কৃত্যসমূহ সম্পাদন কৰিবলৈ ৰাজ্যৰ প্ৰত্যেক জিলাৰ বাবে জিলা বিধিক সেৱা প্ৰাধিকৰণ নামেৰে এটা নিকায় গঠন কৰিব।

(২) জিলা প্ৰাধিকৰণ নিম্নোক্ত সকলেৰে গঠিত হব -

(ক) জিলা ন্যায়াধীশজন যি ইয়াৰ অধ্যক্ষ হব ; আৰু

(খ) ৰাজ্য চৰকাৰে বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সম্পন্ন এনে সংখ্যক আন সদস্য সকল উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি সেই চৰকাৰৰ দ্বাৰা মনোনীত কৰিব।

(৩) ৰাজ্যিক প্ৰাধিকৰণে, জিলা প্ৰাধিকৰণৰ অধ্যক্ষৰ সৈতে পৰামৰ্শ কৰি, এনে অধ্যক্ষৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা মতে সেই সমিতিৰ অধ্যক্ষৰ অধীনত এনে ক্ষমতাসমূহ প্ৰয়োগ কৰিবলৈ আৰু এনে কৰ্তব্যসমূহ সম্পাদন কৰিবলৈ, জিলা প্ৰাধিকৰণৰ সচিবৰূপে জিলা ন্যায়পালিকাৰ স্থানত নিযুক্তি পোৱা এজন অধীনস্থ ন্যায়াধীশ বা চিভিল ন্যায়াধীশৰ পদমৰ্য্যদাৰ নিম্ন নোহোৱা ৰাজ্যিক ন্যায়িক সেৱাত থকা কোনো এজন ব্যক্তিক নিযুক্ত কৰিব।

(৪) জিলা প্ৰাধিকৰণৰ সদস্যসমূহ আৰু সচিবজনৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্তসমূহ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা প্ৰণীত বিনিয়মসমূহৰ দ্বাৰা যেনেদৰে নিৰ্দ্ধাৰিত কৰা হয় তেনেদৰেই হব।

(৫) জিলা প্ৰাধিকৰণে, ইয়াৰ কৃত্যসমূহৰ সুদক্ষ নিৰ্বহনৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ নিযুক্তি দিব পাৰে।

(৬) জিলা প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ এনে বেতন আৰু ভাত্তাসমূহৰ বাবে হকদাৰ হব আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে সেৱাৰ এনে আন চৰ্তসমূহৰ অধ্যধীন হব।

(৭) ৰাজ্যিক প্ৰাধিকৰণৰ সদস্য-সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীসমূহক প্ৰদেয় বেতন, ভাত্তা আৰু পেঞ্চনসমূহ অন্তৰ্ভুক্ত কৰি ৰাজ্যিক প্ৰাধিকৰণৰ প্ৰশাসনীয় খৰচসমূহ ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা বহন কৰা হব।

(৮) জিলা প্ৰাধিকৰণৰ সকলো আদেশ আৰু বিনিশ্চয় সচিব বা সেই প্ৰাধিকৰণৰ অধ্যক্ষৰ দ্বাৰা সম্যকভাবে প্ৰাধিকৃত জিলা প্ৰাধিকৰণৰ আন কোনো পদাধিকাৰীৰ দ্বাৰা প্ৰমাণীকৃত কৰা হব।

(৯) জিলা প্ৰাধিকৰণৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী জিলা প্ৰাধিকৰণত থকা কোনো পদৰিক্তি বা ইয়াৰ গঠনত কোনো ত্ৰুটী থকাৰ আধাৰতে মাথোন অবিধিমান্য নহব।]

জিলা প্ৰাধিকৰণৰ কৃত্যসমূহ।

১০। (১) ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা সময়ে সময়ে ইয়ালৈ প্ৰত্যাযোজিত কৰা মতে জিলাত ৰাজ্যিক প্ৰাধিকৰণৰ এনে কৃত্যসমূহ সম্পাদন কৰাতো,প্ৰত্যেক জিলা প্ৰাধিকৰণৰ কৰ্তব্য হব।

(২) উপধাৰা (১) ত নিৰ্দেশিত কৃত্যসমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ জিলা প্ৰাধিকৰণে নিম্নলিখিত কৃত্যসমূহৰ সকলো বা যিকোনো কৃত্য সম্পাদন কৰিব, অৰ্থাৎ ঃ-

[১][(ক) জিলাত তালুক বিধিক সেৱা সমিতি আৰু আন বিধিক সেৱাসমূহৰ কাম কাজৰ সমন্বয় সাধন কৰা ;

(খ) জিলাত লোক আদালত সংগঠন কৰা; আৰু

(গ) ৰাজ্যিক প্ৰাধিকৰণে [১][* * * *] বিনিয়মসমূহৰ দ্বাৰা নিৰ্ধাৰিত কৰা মতে এনে আন কৃত্যসমূহ সম্পাদন কৰা ।

জিলা প্ৰাধিকৰণে আন এজেঞ্চিসমূহৰ সৈতে সমন্বয় ৰাখি কাৰ্য্য কৰিব আৰু কেন্দ্ৰীয় প্ৰাধিকৰণ ইত্যাদিৰ দ্বাৰা দিয়া নিৰ্দেশ সমূহৰ অধ্যধীন হব।

১১। এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত জিলা প্ৰাধিকৰণে যেতিয়াই সমুচিত হয়, দুখীয়া সকলক দিয়া বিধিক সেৱাৰ উন্নীত কৰা কাৰ্য্যত ৰত হোৱা আন চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহ, বিশ্ববিদ্যালয় সমূহ আৰু আনবোৰৰ সৈতে সমন্বয় ৰাখি কাৰ্য্য কৰিব আৰু কেন্দ্ৰীয় প্ৰাধিকৰণে বা ৰাজ্যিক প্ৰাধিকৰণে লিখিতভাবে ইয়ালৈ দিয়া মতে এনে পথ নিৰ্দেশনাৰ দ্বাৰা চালিত হব ।

তালুক বিধিক সেৱা সমিতি।

[২][১১ক। (১) ৰাজ্যিক প্ৰাধিকৰণে প্ৰত্যেক তালুক বা মণ্ডল বা তালুকসমূহ বা মণ্ডলসমূহৰ বাবে তালুক বিধিক সেৱা সমিতি নামেৰে এখন সমিতি গঠন কৰিব পাৰে ।

(২) সমিতিখিন নিম্নোক্ত সকলেৰে গঠিত হব -

(ক) সমিতিৰ অধিকাৰিতাৰ ভিতৰত থকা [৩][জ্যেষ্ঠতম ন্যায়িক পদাধিকাৰী]জন, যিজন ইয়াৰ পদেন অধ্যক্ষ হব; আৰু

(খ) ৰাজ্য চৰকাৰে, বিহিত কৰা মতে এনে অভিজ্ঞতা আৰু অৰ্হতা সম্পন্ন এনে সংখ্যক আন সদস্যসমূহক, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি সেই চৰকাৰৰ দ্বাৰা মনোনীত কৰিব ।

(৩) সমিতিখনে, ইয়াৰ কৃত্যসমূহৰ সুদক্ষ নিৰ্বহনৰ বাবে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে এনে সংখ্যক পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক নিযুক্তি দিব পাৰে ।

(৪) সমিতিখনৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ এনে বেতন আৰু ভাত্তাসমূহৰ বাবে হকদাৰ হব আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে সেৱাৰ এনে আন চৰ্ত্তসমূহৰ অধ্যধীন হব ।

(৫) সমিতিৰ প্ৰশাসনীয় খৰচসমূহ, জিলা প্ৰাধিকৰণৰ দ্বাৰা জিলা বিধিক সাহায্য নিধিৰ পৰা বহন কৰিব ।

তালুক বিধিক সেৱা সমিতিৰ কৃত্যসমূহ।

১১খ। তালুক বিধিক সেৱা সমিতিয়ে নিম্নলিখিত কৃত্যসমূহৰ সকলো বা যিকোনোটো সম্পাদন কৰিব পাৰে অৰ্থাৎ ঃ-

(ক) তালুকত থকা বিধিক সেৱাসমূহৰ কাম কাজৰ মাজত সমন্বয় ৰখা ;

(খ) তালুকত লোক আদালত সংগঠন কৰা ; আৰু

(গ) জিলা প্ৰাধিকৰণে ইয়ালৈ আৰোপিত কৰা এনে আন কৃত্যসমূহ সম্পাদন কৰা।

## অধ্যায় IV

## বিধিক সেৱাসমূহৰ বাবে হক

বিধিক সেৱা দিয়াৰ বাবে নিৰ্ণায়ক।

১২। কোনো গোচৰ দাখিল বা প্ৰতিৰক্ষা কৰা প্ৰত্যেক ব্যক্তিয়ে এই অধিনিয়মৰ অধীনত বিধিক সেৱাসমূহৰ বাবে হকদাৰ হব, যদিহে সেই ব্যক্তিজন --

(ক) অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ সদস্য হয় ;

(খ) সংবিধানৰ অনুচ্ছেদ ২৩ ত যথা নিৰ্দেশিত মানৱ বা ভিক্ষাৰীৰ পণন্ত ভুক্তভোগী হয় ;

(গ) মহিলা বা শিশু হয় ;

(ঘ) মানসিকভাবে অসুস্থ বা অন্যথা অক্ষম ব্যক্তি হয় ,

---

১।১৯৯৪ চনৰ ৫৯নং অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা লোপ কৰা হৈছে ।

২। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত ।

৩। বিধিক সেৱা প্ৰাধিকৰণ (সংশোধন) অধিনিয়ম, ২০০২ৰ ধাৰা ২ৰ দ্বাৰা "জ্যেষ্ঠ চিভিল ন্যায়াধীশৰ" পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত ।

(ঙ) সচৰাচৰ অলায়ক কিন্তু সামূহিক বিপৰ্য্যয়, জাতিগত হিংসা,জাতিৰ ওপৰত কৰা অত্যাচাৰ, বানপানী,খৰাং, ভূমিকম্প বা ঔদ্যোগিক বিপৰ্য্যয়ত ক্ষতিগ্ৰস্ত হোৱাৰ বাবে, লায়ক হোৱা পৰিস্থিতিৰ অধীনত লায়ক হোৱা কোনো ব্যক্তি ;

(চ) ঔদ্যোগিক কৰ্মী ; বা

১৯৫৬ৰ ১০৪ (ছ) অনৈতিক ব্যৱসায় (নিবাৰণ) অধিনিয়ম, ১৯৫৬ ৰ ধাৰা ২ৰ খণ্ড (ছ)ৰ অৰ্থত কোনো সুৰক্ষা গৃহ
১৯৮৬ৰ ৫৩ বা কিশোৰ ন্যায় অধিনিয়ম, ১৯৮৬ৰ ধাৰা ২ৰ খণ্ড (ঞ)ৰ অৰ্থত কোনো কিশোৰ গৃহত বা মানসিক স্বাস্থ্য
১৯৮৭ৰ ১৪ অধিনিয়ম, ১৯৮৭ৰ ধাৰা ২ৰ খণ্ড (ছ)ৰ অৰ্থত মানসিক চিকিৎসালয় বা মানসিক নাৰ্ছিং হোমত থকা অভিৰক্ষাক অন্তৰ্ভুক্ত কৰি, অভিৰক্ষাত থাকে ; বা

[1][(জ) ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে ন হেজাৰ টকাতকৈ কম হোৱা বা এনে আন অধিকতৰ পৰিমাণৰ বাৰ্ষিক আয় হয়, যদিহে গোচৰটো উচ্চতম ন্যায়ালয় ভিন্ন কোনো আন কাৰ্য্যালয়ৰ সমক্ষত থাকে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে বাৰ হেজাৰ টকাতকৈ কম হয় বা এনে আন অধিকতৰ পৰিমাণৰ ৰাশি হয়, যদিহে গোচৰটো উচ্চতম ন্যায়ালয়ৰ সমক্ষত থাকে ]

বিধিক সেৱা সমূহৰ বাবে হক।

১৩। (১) ধাৰা ১২ত বিনিৰ্দিষ্ট কৰা নিৰ্ণায়কৰ সকলো বা যিকোনোটো পূৰণ কৰা ব্যক্তিসকলে বিধিক সেৱা সমূহ পাবলৈ হকদ্াৰ হব, যদি সংশ্লিষ্ট প্ৰাধিকৰণে তেনে ব্যক্তিজনৰ অভিযোজন কৰা বা প্ৰতিৰক্ষা কৰাৰ বাবে প্ৰথম দৃষ্টিত গোচৰ থকা বুলি সন্তুষ্ট হয় ।

(চ) কোনো ব্যক্তিয়ে তেওঁৰ আয়ৰ বিষয়ে দিয়া এখন শপত পত্ৰ, এই অধিনিয়মৰ অধীনত বিধিক সেৱাৰ হকৰ বাবে তেওঁক যোগ্য কৰাৰ বাবে পৰ্য্যাপ্ত বুলি গণ্য কৰিব, যদিহে সংশ্লিষ্ট প্ৰাধিকৰণে এনে শপত পত্ৰখন অবিশ্বাস কৰাৰ পৰ্য্যাপ্ত কাৰণ নাথাকে ।

## অধ্যায় V
## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান।

১৪। কেন্দ্ৰীয় চৰকাৰে, এই নিমিত্তে সংসদে বিধিৰ দ্বাৰা প্ৰণয়ন কৰা সম্যক বিনিয়োজন কৰাৰ পিছত, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হোবাৰ বাবে, উচিত বিবেচনা কৰা মতে এনে পৰিমাণৰ ধনৰাশি অনুদান হিচাবে কেন্দ্ৰীয় প্ৰাধিকৰণক দিব ।

ৰাষ্ট্ৰীয় বিধিক সাহায্য নিধি।

১৫। (১) কেন্দ্ৰীয় প্ৰাধিকৰণে ৰাষ্ট্ৰীয় বিধিক সাহায্য নিধি নামেৰে এটা নিধি প্ৰতিষ্ঠা কৰিব আৰু তাত নিম্নলিখিতবোৰ জমা কৰিব--

(ক) ধাৰা ১৪ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুদান হিচাপে দিয়া ধনৰাশিৰ সকলো ধন ;

(খ) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে আন কোনো ব্যক্তিৰ দ্বাৰা কেন্দ্ৰীয় প্ৰাধিকৰণলৈ দিয়া কোনো অনুদান বা দানসমূহ ;

(গ) কোনো ন্যায়ালয়ৰ আদেশৰ অধীনত বা কোনো আন উৎসৰ পৰা কেন্দ্ৰীয় প্ৰাধিকৰণৰ দ্বাৰা প্ৰাপ্ত কোনো ধনৰাশি ;

২। ৰাষ্ট্ৰীয় বিধিক সাহায্য নিধি নিম্নলিখিতসমূহ বহন কৰাৰ বাবে প্ৰয়োগ কৰা হব -

(ক) ৰাজ্যিক প্ৰাধিকৰণসমূহলৈ দিয়া অনুদানক অৰ্ন্তভুক্ত কৰি এই অধিনিয়মৰ অধীনত ব্যৱস্থা কৰা বিধিক সেৱাসমূহৰ খৰচ ;

[2][(খ) উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ দ্বাৰা ব্যৱস্থা কৰা বিধিক সেৱাসমূহৰ খৰচ ;

(গ) কেন্দ্ৰীয় প্ৰাধিকৰণৰ দ্বাৰা খৰচ কৰিবলৈ অপেক্ষিত হোৱা আন খৰচসমূহ ;]

ৰাজ্যিক বিধিক সাহায্য নিধি।

১৬। (১) ৰাজ্যিক প্ৰাধিকৰণে ৰাজ্যিক বিধিক সাহায্য নিধি নামেৰে এটা নিধি প্ৰতিষ্ঠা কৰিব আৰু তাত নিম্নলিখিতসমূহ জমা কৰিব--

১। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

## বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭

(ক) এই অধিনিয়মখনৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় প্ৰাধিকৰণৰ দ্বাৰা ইয়াক দিয়া কোনো ধনৰাশি বা কোনো অনুদান ;

(খ) এই অধিনিয়মখনৰ প্ৰয়োজনাৰ্থে ৰাজ্য চৰকাৰৰ দ্বাৰা বা কোনো ব্যক্তিৰ দ্বাৰা ৰাজ্যিক প্ৰাধিকৰণক দিব পৰা কোনো অনুদান বা দান ;

(গ) কোনো ন্যায়ালয়ৰ আদেশৰ অধীনত বা আন কোনো উৎসৰ পৰা ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা প্ৰাপ্ত এনে আন ধনৰাশি ।

(২) ৰাজ্যিক বিধিক সাহায্য নিধি নিম্নলিখিতসমূহ বহন কৰাৰ বাবে প্ৰয়োগ কৰা হব--

(ক) ধাৰা ৭ত নিৰ্দেশিত কৃত্যসমূহৰ খৰচ ;

১[(খ) উচ্চ ন্যায়ালয়ৰ বিধিক সাহায্য সমিতি সমূহৰ দ্বাৰা ব্যৱস্থা কৰা বিধিক সেৱাসমূহৰ খৰচ ;

(গ) ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা খৰচ কৰিবলৈ অপেক্ষিত হোৱা আন খৰচসমূহ ।]

জিলা বিধিক সাহায্য নিধি।

১৭। (১) প্ৰত্যেক প্ৰাধিকৰণে জিলা বিধিক সাহায্য নিধি নামেৰে এটা নিধি প্ৰতিষ্ঠা কৰিব আৰু তাত নিম্নলিখিতসমূহ জমা কৰিব--

(ক) এই অধিনিয়মখনৰ প্ৰয়োজনাৰ্থে ৰাজ্যিক প্ৰাধিকৰণে জিলা প্ৰাধিকৰণলৈ দিয়া ধনৰাশি আৰু কোনো অনুদান ;

২[(খ) এই অধিনিয়মখনৰ প্ৰয়োজনাৰ্থে কোনো ব্যক্তিৰ দ্বাৰা ৰাজ্যিক প্ৰাধিকৰণৰ পূৰ্ব অনুমোদনসহ, জিলা প্ৰাধিকৰণলৈ দিয়া কোনো অনুদান বা দানসমূহ ;]

(গ) কোনো ন্যায়ালয়ৰ আদেশসমূহৰ অধীনত বা কোনো আন উৎসৰ পৰা জিলা প্ৰাধিকৰণৰ দ্বাৰা প্ৰাপ্ত আন কোনো ধনৰাশি ।

(২) জিলা বিধিক সাহায্য নিধি নিম্নলিখিতসমূহ বহন কৰাৰ বাবে প্ৰয়োগ কৰা হব--

(ক) ধাৰা ১০ ৩[আৰু ১১খ]ত নিৰ্দেশিত কৃত্যসমূহৰ খৰচ ;

(খ) জিলা প্ৰাধিকৰণৰ দ্বাৰা খৰচ কৰিবলৈ অপেক্ষিত হোৱা খৰচসমূহ ।

হিচাপ আৰু হিচাপ পৰীক্ষা।

১৮। (১) কেন্দ্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ বা যথাস্থিতি জিলা প্ৰাধিকৰণে (ইয়াত ইয়াৰ পিচত এই ধাৰাত 'প্ৰাধিকৰণ' বুলি নিৰ্দেশিত), হিচাপসমূহ আৰু আন সুসঙ্গত অভিলেখসমূহ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা মতে এনে প্ৰপত্ৰত আৰু এনে ৰীতিৰে আয় আৰু ব্যয়ৰ হিচাপ আৰু উদ্বৃত্ত পত্ৰ অন্তৰ্ভুক্ত কৰি হিচাপৰ এটা বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ।

(২) প্ৰাধিকৰণসমূহৰ হিচাপসমূহ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা বিহিত কৰা মতে এনে বিৰতিত তেওঁৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হব আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত ব্যয়িত খৰচসমূহ সংশ্লিষ্ট প্ৰাধিকৰণে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক প্ৰদান কৰিব ।

(৩) এই অধিনিয়মৰ অধীনত প্ৰাধিকৰণসমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিয়োজিত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ আৰু কোনো আন ব্যক্তিৰ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ চৰকাৰী হিচাপসমূহৰ হিচাপ পৰীক্ষা কৰাৰ সম্পৰ্কত থকাৰ দৰে এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একে অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব, আৰু বিশেষতঃ বহী হিচাপসমূহ সম্পৰ্কিত প্ৰমাণক আন দস্তাবেজ বা কাকত পত্ৰসমূহ উপস্থাপনৰ দাবীৰ বাবে আৰু এই অধিনিয়মৰ অধীনত প্ৰাধিকৰণসমূহৰ পদাধিকাৰীসমূহৰ যিকোনোটো পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব ।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক বা এই নিমিত্তে তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন ব্যক্তিৰ দ্বাৰা যথা প্ৰমাণিত হোৱা প্ৰাধিকৰণসমূহৰ হিচাপসমূহ ইয়াৰ ওপৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনসহ প্ৰাধিকৰণসমূহৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ বা যথাস্থিতি ৰাজ্য চৰকাৰসমূহলৈ বছৰি পঠিয়াব।

---

১। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১২ৰ দ্বাৰা প্ৰতিস্থাপিত ।

২। উক্ত অধিনিয়মৰ ধাৰা ১৩ৰ দ্বাৰা প্ৰতিস্থাপিত ।

৩। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১৩ৰ দ্বাৰা অন্তঃস্থাপিত।

[১][(৫) কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দ্বাৰা উপধাৰা (৪)ৰ অধীনত প্ৰাপ্ত হিচাপসমূহ আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সেইবোৰ পোৱাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উ থাপন কৰাব।

(৬) ৰাজ্য চৰকাৰে ইয়াৰ দ্বাৰা উপধাৰা (৪)ৰ অধীনত প্ৰাপ্ত হিচাপসমূহ আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন, সেইবোৰ পোৱাৰ পিছত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলৰ সমক্ষত উ থাপন কৰাব।

## অধ্যায় VI
## লোক আদালত

লোক আদালতৰ সংগঠন।

[২][১৯। (১) প্ৰত্যেক ৰাজ্যিক প্ৰাধিকৰণ বা জিলা প্ৰাধিকৰণ বা উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি বা প্ৰত্যেক উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি, বা যথাস্থিতি তালুক বিধিক সেৱা সমিতিয়ে, উচিত বিবেচনা কৰা মতে এনে বিৰতিত আৰু এনে স্থানসমূহত আৰু এনে অধিকাৰিতাৰ প্ৰয়োগৰ বাবে আৰু এনে অঞ্চল সমূহৰ বাবে লোক আদালতসমূহ সংগঠন কৰিব পাৰে।

(২) কোনো ক্ষেত্ৰৰ বাবে সংগঠিত কৰা প্ৰত্যেকখন লোক আদালত, লোক আদালত সংগঠিত কৰা ৰাজ্যিক প্ৰাধিকৰণ বা জিলা প্ৰাধিকৰণ বা উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি বা উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি, বা যথাস্থিতি তালুক বিধিক সেৱা সমিতিৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা মতে এনে অঞ্চলৰ এনে সংখ্যক-

(ক) সেৱাৰত বা অৱসৰ প্ৰাপ্ত ন্যায়িক পদাধিকাৰীসমূহ ; আৰু

(খ) আন ব্যক্তিসমূহৰ দ্বাৰা গঠিত হব ।

(৩) উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ দ্বাৰা সংগঠিত লোক আদালতসমূহৰ বাবে উপ ধাৰা (২)ৰ খণ্ড (খ)ত নিৰ্দেশিত আন ব্যক্তিসমূহৰ অভিজ্ঞতা আৰু অৰ্হতা সমূহ, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা মতে হব ।

(৪) উপধাৰা (৩)ত নিৰ্দেশিত কৰা ভিন্ন লোক আদালতসমূহৰ বাবে উপধাৰা (২)ৰ খণ্ড (২)ত নিৰ্দেশিত আন ব্যক্তিসমূহৰ অভিজ্ঞতা আৰু অৰ্হতা, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি ৰাজ্য চৰকাৰে বিহিত কৰা মতে হব ।

(৫) লোক আদালতখন গঠন হোৱাত কোনো ন্যায়ালয়ৰ সমক্ষত -

(i) লম্বিত থকা কোনো গোচৰ ; বা

(ii) ন্যায়ালয়ৰ অধিকাৰিতাৰ ভিতৰত নথকা বা সমক্ষলৈ নহা কোনো বিষয়, সম্বন্ধে পক্ষসমূহৰ মাজত থকা বিবাদসমূহক লোক আদালতৰ অৱধাৰিত কৰাৰ বাবে আপোচ বা মীমাংসা কৰাৰ কাৰণে অধিকাৰ থাকিব ঃ

পৰন্তু কোনো বিধিৰ অধীনত আপোচ যোগ্য নোহোৱা অপৰাধ সম্পৰ্কীয় কোনো গোচৰ বা বিষয় সম্বন্ধে, লোক আদালতৰ কোনো অধিকাৰিতা নাথাকিব ।

লোক আদালতৰ দ্বাৰা গোচৰৰ সংজ্ঞান।

২০। (১) ধাৰা ১৯ৰ উপধাৰা (৫)ৰ খণ্ড (ঝ)ত নিৰ্দেশিত কোনো এটা গোচৰত যেতিয়া--

গোচৰটো মীমাংসাৰ বাবে লোক আদালতলৈ নিৰ্দেশিত কৰাৰ বাবে,

(i) (ক) ইয়াৰ পক্ষসমূহ একমত হয় ; বা

(খ) ইয়াৰ পক্ষসমূহৰ যিকোনো এটাই ন্যায়ালয়লৈ আবেদন কৰে, আৰু যদিহে ন্যায়ালয়ে প্ৰথম দৃষ্টিত সন্তুষ্ট হয় যে এনে মীমাংসাৰ আশা আছে ; বা

(ii) যদিহে ন্যায়ালয় সন্তুষ্ট হয় যে বিষয়টো লোক আদালতৰ দ্বাৰা সংজ্ঞানত লবলৈ সমুচিত হয়,

তেতিয়া ন্যায়ালয়ে এই গোচৰটো লোক আদালতলৈ নিৰ্দেশিত কৰিব ঃ

পৰন্তু অন্য পক্ষক শুনানীৰ এটা যুক্তি সঙ্গত সুযোগ দিয়া ব্যতিৰেকে ন্যায়ালয়ৰ দ্বাৰা খণ্ড (i) বা খণ্ড (ii) ৰ উপ-খণ্ড (খ) ৰ অধীনত কোনো গোচৰ লোক আদালতলৈ নিৰ্দেশিত কৰা নহব ।

---

১। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১৪ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১৫ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(২) তৎসময় বলবৎ থকা আন কোনো বিধিত কোনো কথা থকা স্বত্ত্বেও ধাৰা ১৯ৰ উপ ধাৰা (১) ৰ অধীনত লোক আদালত সংগঠন কৰা কোনো প্ৰাধিকৰণ বা সমিতিয়ে, কোনো লোক আদালতৰ দ্বাৰা অৱধাৰিত কৰিবলৈ আৱশ্যক হোৱা এনে বিষয় ধাৰা ১৯ৰ উপ-ধাৰা (৫) ৰ খণ্ড (ii) ত নিৰ্দেশিত কোনো বিষয় সম্বন্ধে পক্ষসমূহৰ যিকোনো এটাৰ পৰা পোৱা কোনো এখন আবেদন প্ৰাপ্তিত এনে বিষয়টো অৱধাৰণৰ বাবে লোক আদালতলৈ প্ৰেৰণ কৰিব পাৰে ঃ

পৰন্তু আন পক্ষক শুনানীৰ এটা যুক্তি সঙ্গত সুযোগ দিয়া ব্যতিৰেকে কোনো বিষয় লোক আদালতলৈ নিৰ্দেশিত নকৰিব ।

(৩) উপধাৰা (১)ৰ অধীনত যেতিয়া কোনো গোচৰ লোক আদালতলৈ নিৰ্দেশিত কৰা হয় বা উপধাৰা (২) ৰ অধীনত যেতিয়া ইয়ালৈ কোনো নিৰ্দেশ কৰা হয়, তেতিয়া লোক আদালতে গোচৰটো বা বিষয়টো নিষ্পত্তি কৰিবলৈ অগ্ৰসৰ হ'ব আৰু পক্ষসমূহৰ মাজত আপোচ বা মীমাংসা কৰি দিব ।

(৪) প্ৰত্যেক লোক আদালতে, এই অধিনিয়মৰ অধীনত ইয়াৰ সমক্ষত কোনো নিৰ্দেশ অৱধাৰণ কৰাত পক্ষসমূহৰ মাজত আপোচ বা মীমাংসা কৰি দিয়াৰ বাবে অধিকতম ক্ষীপ্ৰতাৰে কাৰ্য্য কৰিব আৰু ন্যায়, সমতা, নায্য ব্যৱহাৰৰ নীতি আৰু আন ন্যায়িক নীতিৰ দ্বাৰা পৰিচালিত হ'ব ।

(৫) পক্ষসমূহৰ মাজত কোনো আপোচ বা মীমাংসা নোহোৱাৰ আধাৰত লোক আদালতৰ দ্বাৰা যেতিয়া কোনো নিৰ্ণয় দিয়া নহয় তেতিয়া গোচৰৰ অভিলেখসমূহ ইয়াৰ দ্বাৰা ন্যায়ালয়লৈ ঘূৰাই পঠিয়াব, য'ৰ পৰা বিধি অনুসৰি নিষ্পত্তিকৰণৰ বাবে উপধাৰা (১)ৰ অধীনত এই নিৰ্দেশ পোৱা হৈছিল ।

(৬) উপধাৰা (২)ত নিৰ্দেশিত কোনো বিষয়ত পক্ষসমূহৰ মাজত কোনো আপোচ বা মীমাংসা কৰিব নোৱাৰাৰ আধাৰত লোক আদালতৰ দ্বাৰা যেতিয়া কোনো নিৰ্ণয় দিয়া নহয়, তেতিয়া লোক আদালতে পক্ষসমূহক ন্যায়ালয়ত প্ৰতিবিধান বিচাৰিবৰ বাবে উপদেশ দিব ।

(৭) উপধাৰা (৫) অধীনত যেতিয়া গোচৰটোৰ অভিলেখসমূহ ন্যায়ালয়লৈ ওভোটাই দিয়া হয়, তেতিয়া তেনে ন্যায়ালয়ে উপধাৰা (১)ৰ অধীনত এনে নিৰ্দেশৰ আগতেই পোৱা এনে স্তৰৰ পৰা এনে গোচৰ চলাবলৈ অগ্ৰসৰ হ'ব ।]

লোক আদালতৰ নিৰ্ণয়।

২১। [১][(১) লোক আদালতৰ প্ৰত্যেক নিৰ্ণয় চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰী বা যথাস্থিতি আন কোনো ন্যায়ালয়ৰ এটা আদেশৰ দৰে গণ্য কৰা হ'ব আৰু ধাৰা ২০ৰ উপধাৰা (১)ৰ অধীনত ইয়ালৈ নিৰ্দেশিত কোনো গোচৰ লোক আদালতৰ দ্বাৰা যেতিয়া আপোচ বা মীমাংসা কৰা হয়, তেতিয়া এনে গোচৰত দিয়া ন্যায়ালয় মাচুল, ন্যায়ালয় মাচুল অধিনিয়ম, ১৮৭০ৰ অধীনত উপবন্ধিত কৰা ৰীতিৰে প্ৰত্যৰ্পণ কৰা হ'ব ।]

১৮৭০ৰ ৭

(২) লোক আদালতৰ দ্বাৰা দিয়া প্ৰত্যেক নিৰ্ণয় চূড়ান্ত হ'ব আৰু বিবাদ কৰা সকলো পক্ষৰ ওপৰত বাধ্যকাৰী হ'ব আৰু এই নিৰ্ণয়ৰ বিৰুদ্ধে কোনো ন্যায়ালয়ত কোনো আপীল নহ'ব ।

লোক আদালত সমূহৰ ক্ষমতাসমূহ।

২২। (১) এই অধিনিয়মৰ অধীনত কোনো অৱধাৰণৰ প্ৰয়োজনাৰ্থে [২][লোক আদালতৰ বা স্থায়ী লোক আদালতৰ নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধে এটা বাদৰ বিচাৰ কৰোঁতে চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত চিভিল ন্যায়ালয়ত আৰোপিত কৰাৰ দৰে একে ক্ষমতাসমূহ থাকিব, অৰ্থাৎ ঃ-

(ক) কোনো সাক্ষীক চমন কৰা আৰু কোনো সাক্ষীৰ উপস্থিতি বলবৎ কৰা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা ;

(খ) কোনো দস্তাবেজৰ প্ৰকটীকৰণ আৰু উপস্থাপন ;

(গ) শপত পত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা কোনো লোক অভিলেখ, দস্তাবেজ বা এনে অভিলেখ বা দস্তাবেজৰ প্ৰতিলিপি অভিগ্ৰহণ কৰা ; আৰু

(ঙ) বিহিত কৰিব পৰা এনে আন বিষয়সমূহ ।

---

১। ১৯৯৪ চনৰ ৫৯নং অধিনিয়মৰ ধাৰা ১৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

(২) উপধাৰা (১)ত থকা ক্ষমতাসমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ প্ৰত্যেক [১][লোক আদালত বা স্থায়ী লোক আদালত]ত ইয়াৰ সমক্ষলৈ অহা কোনো বিবাদৰ অৱধাৰণৰ বাবে ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিৰ্দ্দিষ্ট কৰিবলৈ প্ৰয়োজনীয় ক্ষমতাসমূহ থাকিব।

১৮৬০ ৰ ৪৫
১৯৭৪ ৰ ২

(৩) [১][লোক আদালত বা স্থায়ী লোক আদালতৰ সমক্ষত থকা সকলো কাৰ্য্যবাহী ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩, ২১৯ আৰু ২২৮ৰ অৰ্থত ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হব আৰু প্ৰত্যেক [১][লোক আদালতক বা স্থায়ী লোক আদালতক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় XXVIৰ প্ৰয়োজনাৰ্থে চিভিল ন্যায়ালয় বুলি গণ্য কৰা হব।

## [২][অধ্যায় VI-ক
## মোকৰ্দ্দমাৰ পূৰ্বৰ চালিচী আৰু নিষ্পত্তিকৰণ

পৰিভাষা।

২২ক। এই অধ্যায়ত আৰু ধাৰা ২২ আৰু ২৩ৰ প্ৰয়োজনৰ উদ্দেশ্যে প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে-

(ক) "স্থায়ী লোক আদালত" মানে ধাৰা ২২ খৰ উপধাৰা (১) ৰ অধীনত স্থাপিত এখন স্থায়ী লোক আদালত।

(খ) "লোক উপযোগী সেৱা" মানে-

(i) আকাশী পথ, স্থলপথ বা জলপথেৰে যাত্ৰী বা সা-সামগ্ৰী কঢ়িয়াই নিয়াৰ বাবে কৰা যিকোনো পৰিবহন সেৱা ; বা

(ii) ডাক, টেলিগ্ৰাফ বা দূৰসংযোগ সেৱা ; বা

(iii) জনসাধাৰণক শক্তি, বিজুলী বা পানীৰ যোগান ধৰা কোনো সংস্থাপন ;

(iv) ৰাজহুৱা মলবহন প্ৰণালী বা স্বাস্থ্য বিধিসন্মত অৱস্থাৰ সৃষ্টিকৰণ ; বা

(v) চিকিৎসালয় বা স্বাস্থ্য কেন্দ্ৰৰ সেৱা ; বা

(vi) বীমা সেৱা ;

আৰু এই অধ্যায়ৰ প্ৰয়োজনৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে ৰাজহুৱা স্বাৰ্থত অধিসূচনাৰ দ্বাৰা বা লোক উপযোগী সেৱা বুলি ঘোষণা কৰিব পৰা যিকোনো সেৱাক অৰ্ন্তভুক্ত কৰে।

স্থায়ী লোক আদালতৰ স্থাপন।

২২খ। (১) ধাৰা ১৯ত কোনো কথা অন্তৰ্বিষ্ট থকা স্বত্ত্বেও কেন্দ্ৰীয় প্ৰাধিকাৰী বা যথাস্থিতি প্ৰত্যেক ৰাজ্যিক প্ৰাধিকাৰীয়ে অধিসূচনাৰ দ্বাৰা তেনে স্থানত আৰু এক বা অধিক লোক উপযোগী সেৱাৰ ক্ষেত্ৰত অধিকাৰিতা প্ৰয়োগ কৰাৰ বাবে আৰু অধিসূচনাত বিনিৰ্দিষ্ট কৰিব পৰা তেনে অঞ্চলসমূহত লোক আদালত স্থাপন কৰিব পাৰে ।

(২) উপধাৰা (১)ৰ অধীনত অধিসূচিত কোনো অঞ্চলৰ বাবে স্থাপিত প্ৰত্যেক স্থায়ী লোক আদালত নিম্নলিখিত সকলৰে গঠিত হব —

(ক) জিলা ন্যায়াধীশ বা অতিৰিক্ত জিলা ন্যায়াধীশ হোৱা বা হৈ থকা কোনো বা জিলা ন্যায়াধীশতকৈ উচ্চতৰ ন্যায়িক পদ ধাৰণ কৰি থকা কোনো ব্যক্তি এখন স্থায়ী লোক আদালতৰ অধ্যক্ষ হব ; আৰু

(খ) কেন্দ্ৰীয় প্ৰাধিকাৰীৰ বা যথাস্থিতি ৰাজ্যিক প্ৰাধিকাৰীৰ অনুমোদন সহ কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত কৰিবলগীয়া লোক উপযোগী সেৱাৰ পৰ্য্যাপ্ত অভিজ্ঞতা থকা অন্য দুজন ব্যক্তি-

তেনে স্থায়ী লোক আদালত স্থাপন কৰি কেন্দ্ৰীয় প্ৰাধিকাৰী বা যথাস্থিতি ৰাজ্যিক প্ৰাধিকাৰীৰ দ্বাৰা নিযুক্তি দিয়া হয় আৰু খণ্ড (খ)ত নিৰ্দেশিত অধ্যক্ষ আৰু অন্যান্য ব্যক্তিসকলৰ নিযুক্তিৰ অন্য নিবন্ধন আৰু চৰ্ত্তাৱলী কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰাৰ দৰে তেনে ধৰণৰ হব ।

স্থায়ী লোক আদালতৰ দ্বাৰা গোচৰৰ সংজ্ঞান।

২২গ। (১)কোনো বিবাদৰ কোনো পক্ষই, কোনো ন্যায়ালয়ৰ সমক্ষত বিবাদ দাখিল কৰাৰ পূৰ্বে বিবাদ নিষ্পত্তিৰ বাবে স্থায়ী লোক আদালতত এক আবেদন কৰিব পাৰে ঃ

---

১। বিধিক সেৱা প্ৰাধিকৰণ (সংশোধন) অধিনিয়ম ২০০২ৰ ধাৰা ২ৰ দ্বাৰা "লোক আদালতৰ" স্থানত প্ৰতিষ্ঠাপিত।

২। বিধিক সেৱা প্ৰাধিকৰণ (সংশোধন) অধিনিয়ম, ২০০২ৰ ধাৰা ৪ৰ দ্বাৰা নতুন অধ্যায় VI-ক

অন্তঃস্থাপিত।

## বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭

পৰন্তু স্থায়ী লোক আদালতৰ কোনো বিধিৰ অধীনত আপোচযোগ্য নোহোৱা কোনো অপৰাধ সম্বন্ধীয় কোনো বিষয়ৰ ক্ষেত্ৰত অধিকাৰিতা নাথাকিব ঃ

উপৰন্তু স্থায়ী লোক আদালতত সেই এনে বিষয়ত অধিকাৰিতা নাথাকিব য'ত বিবাদ্য সম্পত্তিৰ মূল্য দহ লাখ টকাতকৈ অধিক হয় ঃ

অধিকন্তু কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা কেন্দ্ৰীয় প্ৰাধিকাৰীৰ সৈতে পৰামৰ্শ কৰি দ্বিতীয় পৰন্তুকত বিনিৰ্দ্দিষ্ট কৰা দহ লাখ টকাৰ পৰিসীমা বৃদ্ধি কৰিব পাৰে ।

(২) স্থায়ী লোক আদালতত উপধাৰা (১)ৰ অধীনত এখন আবেদন দাখিল কৰাৰ পিচত, সেই আবেদনৰ কোনো পক্ষই সেই একে বিবাদত কোনো ন্যায়ালয়ৰে অধিকাৰিতাৰ নিবেদন নকৰিব ।

(৩) য'ত উপধাৰা (১)ৰ অধীনত কোনো স্থায়ী লোক আদালতত কোনো আবেদন কৰা হয়, স্থায়ী লোক আদালতে-

(ক) আবেদনৰ প্ৰত্যেক পক্ষক, স্থায়ী লোক আদালতৰ সমক্ষত আবেদনৰ তথ্য আৰু বিবাদৰ প্ৰকৃতিৰ বিষয়ে, প্ৰশ্ন বা বিবাদ্যক, যথাস্থিতি তেনে প্ৰশ্ন বা বিবাদ্যকৰ পক্ষে বা বিপক্ষে নিৰ্ভৰ কৰিব পৰা কাৰণসমূহৰ বৰ্ণনা দি এক লিখিত বিবৃতি দাখিল কৰাৰ বাবে নিৰ্দেশ দিব আৰু তেনে পক্ষই তেনে বিষয় আৰু কাৰণসমূহৰ প্ৰমাণৰ বাবে সমুচিত বুলি গণ্য কৰা কোনো দস্তাৱেজ আৰু অন্যান্য সাক্ষ্য এনে প্ৰবিৱৰণৰ সৈতে সন্নিবিষ্ট কৰিব পাৰে আৰু তেনে দস্তাৱেজৰ আৰু প্ৰবিৱৰণৰ এটা প্ৰতিলিপিৰ সৈতে তেনে অন্য এটা প্ৰতিলিপি, যদি থাকে আবেদনৰ প্ৰত্যেক পক্ষলৈ প্ৰেৰণ কৰিব ;

(খ) স্থায়ী লোক আদালতে আবেদনৰ যিকোনো পদক আপোচকৰণ কাৰ্য্যবাহীৰ যিকোনো পৰ্য্যায়তে ইয়াৰ সন্মুখত অতিৰিক্ত প্ৰবিৱৰণ দাখিল কৰাৰ বাবে অপেক্ষিত কৰিব পাৰে ; .

(গ) স্থায়ী লোক আদালতে আবেদনৰ কোনো পক্ষৰ পৰা প্ৰাপ্ত কৰা যিকোনো দস্তাৱেজ বা প্ৰবিৱৰণ, আনটো পক্ষই ইয়াৰ ওপৰত উত্তৰ উপস্থাপন কৰাৰ বাবে সক্ষম কৰাৰ অৰ্থে প্ৰেৰণ কৰিব পাৰিব।

(৪) যেতিয়া প্ৰবিৱৰণ, অতিৰিক্ত প্ৰবিৱৰণ আৰু উত্তৰ, যদি থাকে, উপধাৰা (৩)ৰ অধীনত, স্থায়ী লোক আদালত সন্তুষ্ট হোৱাকৈ দাখিল কৰা হয় (স্থায়ী লোক আদালতে আবেদনৰ পক্ষসমূহৰ মাজত) বিবাদৰ পৰিস্থিতিসমূহ বিবেচনা কৰি স্থায়ী লোক আদালতে সমুচিত বুলি ভবা তেনে ৰীতিৰে চালিচী কাৰ্য্যবাহী পৰিচালন কৰিব ।

(৫) স্থায়ী লোক আদালতে, উপধাৰা (৪) অধীনত চালিচী কাৰ্য্যবাহী পৰিচালনা কৰাৰ সময়ত বিষয়টোত এক সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তিকৰণ উপনীত হোৱাৰ বাবে পক্ষসমূহে কৰা প্ৰচেষ্টাত এক মুক্ত আৰু নিৰপেক্ষ ৰীতিৰে সহায় কৰিব ।

(৬) আবেদনৰ প্ৰত্যেক পক্ষৰ, স্থায়ী লোক আদালতক আবেদনৰ সম্বন্ধত বিবাদৰ চালিচীত সদভাব পূৰ্ব্বক সহযোগ কৰাৰ আৰু স্থায়ী লোক আদালতৰ সন্মুখত সাক্ষ্য আৰু সাপেক্ষে অন্যান্য সম্পৰ্কিত দস্তাৱেজ দাখিল কৰাৰ নিৰ্দেশ পালন কৰাৰ দায়িত্ব থাকিব ।

(৭) যেতিয়া উপৰোক্ত চালিচী কাৰ্য্যবাহীত স্থায়ী লোক আদালতৰ এনে অভিমত যে তেনে কাৰ্যবাহীত নিষ্পত্তিৰ সূত্ৰ আদি বিদ্যামান যি উভয় পক্ষৰ বাবে গ্ৰহণযোগ্য হব পাৰে তেতিয়া স্থায়ী লোক আদালতে বিবাদটোৰ এক সম্ভাব্য চালিচীৰ চৰ্ত্তাৱলী নিশ্চিত কৰিব পাৰে আৰু সংশ্লিষ্ট পক্ষসমূহক তেওঁলোকৰ বিবাদ বিবেচনাৰ কাৰণে দিব পাৰে আৰু উভয় পক্ষই বিবাদটোৰ চালিচীৰ ক্ষেত্ৰত এক চুক্তিত উপনীত হলে তেওঁলোকে বিবাদটোৰ চালিচীৰ চুক্তিত হস্তাক্ষৰ কৰিব আৰু স্থায়ী লোক আদালতে সেই চৰ্ত্তাৱলী অনুসাৰে তাৰ এক অধিনিৰ্ণয় পাৰিত কৰিব আৰু ইয়াৰ একোটা প্ৰতিলিপি সংশ্লিষ্ট প্ৰত্যেক পক্ষক প্ৰদান কৰিব।

(৮) য'ত পক্ষসমূহ উপধাৰা (৭) ৰ অধীনত এক চুক্তিত উপনীত হোৱাত বিফল হয়, স্থায়ী লোক আদালতে, যদিহে বিবাদটো কোনো অপৰাধ সম্বন্ধীয় নহয়, বিবাদটোৰ বিনিশ্চয় কৰিব৭

স্থায়ী লোক আদালতৰ প্ৰক্ৰিয়া। ১৯০৮ৰ ৫ ১৮৭২ৰ ১

২২ঘ। স্থায়ী লোক আদালতে চালিচী কাৰ্য্যবাহী পৰিচালনা কৰোতে বা এই অধিনিয়মৰ অধীনত বিবাদৰ গুণাগুণ অনুসৰি বিনিশ্চয় কৰোতে নৈসৰ্গিক ন্যায়, যৰ্থাথতা, ন্যায়বিচাৰ, সততাৰ আৰু ন্যায়ৰ অন্যান্য নীতিৰ দ্বাৰা দিগমাৰ্গিত হব আৰু চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৯৭২ দ্বাৰা অবৰুদ্ধ নহয়।

স্থায়ী লোক আদালতৰ নিৰ্ণয় চূড়ান্ত হব।

২২ঙ। (১) এই অধিনিয়মৰ অধীনত স্থায়ী লোক আদালতে বাদৰ গুণাগুণ অনুসৰি বা নিষ্পত্তিৰ চুক্তিৰ চৰ্ত্তত কৰা প্ৰত্যেক নিৰ্ণয় চূড়ান্ত হব আৰু ইয়াৰ সকলো পক্ষৰ আৰু ইয়াৰ অধীনৰ দাবীদাৰ সকলো ব্যক্তিৰ বাবে কাৰ্য্যকৰী হব।

(২) এই অধিনিয়মৰ অধীনৰ স্থায়ী লোক আদালতৰ প্ৰত্যেকটো নিৰ্ণয় চিভিল ন্যায়ালয়ৰ এক ডিক্ৰী বুলি গণ্য কৰা হব।

(৩) এই অধিনিয়মৰ অধীনত স্থায়ী লোক আদালতে দিয়া নিৰ্ণয় স্থায়ী লোক আদালত গঠিত হোৱা ব্যক্তিসকলৰ সংখ্যা গৰিষ্ঠৰ দ্বাৰা হব।

(৪) এই অধিনিয়মৰ অধীনত স্থায়ী লোক আদালতে কৰা প্ৰত্যেকটো নিৰ্ণয় চূড়ান্ত হব আৰু কোনো মূল বাদত, আবেদনত বা নিষ্পাদন কাৰ্য্যবাহীত প্ৰশ্নাধীন নহব।

(৫) স্থায়ী লোক আদালতে দিয়া যিকোনো নিৰ্ণয় স্থানীয় অধিকাৰিতা থকা এক চিভিল ন্যায়ালয়লৈ সংপ্ৰেৰণ কৰিব পাৰে আৰু তেনে চিভিল ন্যায়ালয়ে আদেশটো এনেদৰে কাৰ্য্যকৰী কৰিব যেনিবা ই সেই ন্যায়ালয়ৰ দ্বাৰা দিয়া এক ডিক্ৰীহে আছিল।

## অধ্যায় VII

[১][প্ৰাধিকৰণ সমিতি আৰু লোক আদালতসমূহৰ সদস্য আৰু কৰ্মচাৰীবৃন্দ লোক সেৱক হব।
১৮৬০ৰ ৪৫

২৩। কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্য সচিব বা যথাস্থিতি সচিব, ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণসমূহ, উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি, উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি, তালুক বিধিক সেৱা সমিতি আৰু এনে প্ৰাধিকৰণ, সমিতিসমূহৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ আৰু [২][লোক আদালতসমূহৰ সদস্যসকল বা স্থায়ী লোক আদালত গঠিত কৰা ব্যক্তিসমূহক] অৰ্ন্তভুক্ত কৰি সদস্যসমূহক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থত লোক সেৱক বুলি গণ্য কৰা হব।

সদ্ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা।

২৪। এই অধিনিয়মখনৰ উপবন্ধসমূহৰ অধীনত বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়ম সমূহৰ অধীনত সদ্ বিশ্বাসত কৃত বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে -

(ক) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ ;

(খ) কেন্দ্ৰীয় প্ৰাধিকৰণৰ মুখ্য পৃষ্ঠপোষক, কাৰ্য্যবাহী অধ্যক্ষ, সদস্যসকল সদস্য-সচিব বা পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দৰ ;

(গ) ৰাজ্যিক প্ৰাধিকৰণৰ মুখ্য পৃষ্ঠপোষক, কাৰ্য্যবাহী অধ্যক্ষ, সদস্য সকল, সদস্য সচিব বা পদাধিকাৰী বা আন কৰ্মচাৰী বৃন্দ ;

(ঘ) উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতি, উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতি, তালুক বিধিক সেৱা সমিতি বা জিলা প্ৰাধিকৰণৰ অধ্যক্ষ, সচিব, সদস্য বা পদাধিকাৰী বা আন কৰ্মচাৰীবৃন্দ ; বা

(ঙ) উপ খণ্ড (খ)ৰ পৰা (ঘ)ত নিৰ্দেশিত কোনো পৃষ্ঠপোষক, কাৰ্য্যবাহী অধ্যক্ষ, অধ্যক্ষ, সদস্য, সদস্য-সচিবৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিৰ, বিৰুদ্ধে কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী কৰিব নোৱাৰিব।]

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ থাকিব।

২৫। এই অধিনিয়মৰ উপবন্ধসমূহ, তৎসময় বলবৎ হোৱা কোনো আন বিধিত বা এই অধিনিয়মৰ বাহিৰে কোনো বিধিৰ বলত প্ৰভাৱী হোৱা কোনো লেখ্যত অসঙ্গত হোৱা যিকোনো কথা থকা স্বত্বেও প্ৰভাৱী হব।

অসুবিধাসমূহ দূৰীকৰণৰ ক্ষমতা।

২৬। (১) এই অধিনিয়মৰ উপবন্ধসমূহক প্ৰভাৱী কৰোতে যদিহে কোনো অসুবিধাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অসুবিধাসমূহৰ দূৰীকৰণৰ বাবে ই প্ৰয়োজনীয় বা সমুচিত বুলি প্ৰতীত হোৱাত এই অধিনিয়মৰ উপবন্ধসমূহৰ সৈতে অসঙ্গত নোহোৱাকৈ, এনে উপবন্ধসমূহ প্ৰণয়ন কৰিব পাৰেঃ

পৰন্তু এই অধিনিয়মখনে ৰাষ্ট্ৰপতিৰ সন্মতি পোৱাৰ তাৰিখৰ পৰা দুবছৰ কালৰ অৱসানৰ পিচত, কোনো আদেশ নিদিব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ প্ৰণীত হোৱাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উত্থাপিত কৰা হব ।

---

১। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

২। বিধিক সেৱা প্ৰাধিকৰণ (সংশোধন) অধিনিয়ম ২০০২ৰ ধাৰা ৫ৰ দ্বাৰা "লোক আদালতসমূহৰ সদস্যসকল"ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত ।

[১][কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

২৭। (১) কেন্দ্ৰীয় চৰকাৰে, ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৩ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণৰ আন সদস্য সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(খ) কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্য-সচিবৰ অভিজ্ঞতা আৰু অৰ্হতাসমূহ আৰু ধাৰা ৩ৰ উপধাৰা (৩) অধীনত তেওঁৰ ক্ষমতা আৰু কৃত্যসমূহ ;

(গ) ধাৰা ৩ৰ উপধাৰা (৪) অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণৰ সদস্যসকল বা সদস্য-সচিবজনৰ পদাৱধি আৰু সেই বিষয়ে থকা চৰ্ত্তসমূহ ;

(ঘ) ধাৰা ৩ৰ উপধাৰা (৫)ৰ অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সংখ্যা ;

(ঙ) ধাৰা ৩ৰ উপধাৰা ৬ৰ অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্ত আৰু বেতন আৰু ভাত্তাসমূহ ;

(চ) ধাৰা ৩ক ৰ উপধাৰা ২ৰ খণ্ড (খ) ৰ অধীনত উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ সদস্য সকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ছ) ধাৰা ৩ক ৰ উপধাৰা ৩ৰ অধীনত উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ সচিবজনৰ অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(জ) ধাৰা ৩ক ৰ উপধাৰা ৫ৰ অধীনত উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সংখ্যা আৰু সেৱাৰ চৰ্ত্তসমূহ আৰু সেই ধাৰাৰ উপধাৰা (৬)ৰ অধীনত তেওঁলোকক প্ৰদেয় বেতন আৰু ভাত্তাসমূহ ;

(ঝ) ধাৰা ১২ৰ খণ্ড (জ)ৰ অধীনত বিধিক সেৱাসমূহত তেওঁ হক্‌দাৰ হবলৈ কোনো ব্যক্তিৰ বাৰ্ষিক আয়ৰ অধিকতৰ পৰিসীমা, যদিহে গোচৰটো উচ্চতম ন্যায়ালয়ৰ সমক্ষত থাকে ;

(ঞ) কেন্দ্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ বা জিলা প্ৰাধিকৰণৰ হিচাপসমূহ কি ৰীতিৰে ধাৰা ১৮ৰ অধীনত ৰখা হব ;

(ট) ধাৰা ১৯ৰ উপধাৰা (৩)ত বিনিৰ্দ্দিষ্ট উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ দ্বাৰা সংগঠিত লোক আদালতসমূহৰ আন ব্যক্তিসকলৰ অভিজ্ঞতা আৰু অৰ্হতাসমূহ;

(ঠ) ধাৰা ২২ৰ উপধাৰা (১)ৰ খণ্ড (ঙ)ৰ অধীনত থকা আন বিষয়সমূহ ;

[২][(ঠক) ধাৰা ২২খৰ উপধাৰা (২)ৰ অধীনত অধ্যক্ষ আৰু অন্য ব্যক্তিসকলৰ নিযুক্তিৰ অন্যান্যৰ নিবন্ধন আৰু চৰ্ত্তাৱলী; ]

(ড) বিহিত কৰা বা কৰিব পৰা আন কোনো বিষয়।

ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

২৮। (১) ৰাজ্য চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰি, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মসমূহে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৬ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ আন সদস্যসকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(খ) ধাৰা ৬ৰ উপধাৰা (৩)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ সদস্য-সচিবজনৰ ক্ষমতা আৰু কৃত্যসমূহ ;

(গ) ধাৰা ৬ৰ উপধাৰা (৪)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ সদস্যসকল আৰু সদস্য-সচিবজনৰ পদাৱধি আৰু তৎসম্পৰ্কিত আন চৰ্ত্তসমূহ ;

---

১। ১৯৯৪ চনৰ ৫৯ নং অধিনিয়মৰ ধাৰা ১৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। বিধিক সেৱা প্ৰাধিকৰণ (সংশোধন) অধিনিয়ম ২০০২ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত ।

(ঘ) ধাৰা ৬ৰ উপধাৰা (৫)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সংখ্যা ;

(ঙ) ধাৰা ৬ৰ উপধাৰা (৬)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্তসমূহ আৰু বেতন আৰু ভাৰ্ত্তাসমূহ ;

(চ) ধাৰা ৮ক ৰ উপধাৰা (৩)ৰ অধীনত উচ্চ ন্যায়ালয়ৰ বিধিক সেৱা সমিতিৰ সচিবজনৰ অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ছ) ধাৰা ৮ক ৰ উপধাৰা (৫)ৰ অধীনত উচ্চ ন্যায়ালয়ৰ বিধিক সেৱা সমিতিৰ পদাধিকাৰী আৰু আন কৰ্মচাৰী বৃন্দৰ সংখ্যা আৰু সেই ধাৰাৰ উপধাৰা (৬)ৰ অধীনত সেৱাৰ চৰ্ত্তসমূহ আৰু তেওঁলোকক প্ৰদেয় বেতন আৰু ভাত্তাসমূহ ;

(জ) ধাৰা ৯ৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত জিলা প্ৰাধিকৰণৰ সদস্য সকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ঝ) ধাৰা ৯ৰ উপধাৰা (৫)ৰ অধীনত জিলা প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সংখ্যা;

(ঞ) ধাৰা ৯ৰ উপধাৰা (৬)ৰ অধীনত জিলা প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্ত আৰু বেতন আৰু ভাত্তাসমূহ ;

(ট) ধাৰা ১১ক ৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত তালুক বিধিক সেৱা সমিতিৰ সদস্যসকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ঠ) ধাৰা ১১ক ৰ উপধাৰা (৩)ৰ অধীনত তালুক বিধিৰ সেৱা সমিতিৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সংখ্যা ;

(ড) ধাৰা ১১ক ৰ উপধাৰা (৪)ৰ অধীনত তালুক বিধিৰ সেৱা সমিতিৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্ত আৰু বেতন আৰু ভাত্তাসমূহ ;

(ঢ) ধাৰা ১২ৰ খণ্ড (জ)ৰ অধীনত বিধিক সেৱাসমূহৰ বাবে হকদাৰ হবলৈ কোনো ব্যক্তিৰ বাৰ্ষিক আয়ৰ অধিকতৰ সীমা যদিহে গোচৰটো উচ্চতম ন্যায়ালয় ভিন্ন কোনো ন্যায়ালয়ৰ সমক্ষত থাকে ;

(ণ) ধাৰা ১৯ৰ উপধাৰা (৪)ত নিৰ্দেশিতবোৰৰ বাহিৰে লোক আদালতৰ আন ব্যক্তিসকলৰ অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ত) বিহিত কৰা বা কৰিব পৰা আন কোনো বিষয় ।

কেন্দ্ৰীয় প্ৰাধিকৰণৰ বিনিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

২৯। (১) কেন্দ্ৰীয় প্ৰাধিকৰণে অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰভাৱী কৰাৰ প্ৰয়োজনাৰ্থে, উপবন্ধসমূহৰ প্ৰয়োজনীয় বা সমুচিত হোৱা সকলো বিষয়ৰ উপবন্ধ কৰিবলৈ, এই অধিনিয়মৰ উপবন্ধসমূহ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মসমূহৰ সৈতে অসঙ্গত নোহোৱাকৈ, বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মসমূহে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৩ক ৰ উপধাৰা (১) ৰ অধীনত উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ ক্ষমতা আৰু কৃত্য সমূহ ;

(খ) ধাৰা ৩ক ৰ উপধাৰা (৪)ৰ অধীনত উচ্চতম ন্যায়ালয় বিধিক সেৱা সমিতিৰ সদস্যসকল আৰু সচিবজনৰ পদাৱধি আৰু সেই সম্পৰ্কে থকা আন চৰ্ত্তসমূহ ;

ৰাজ্যিক প্ৰাধিকৰণৰ বিনিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

২৯ক। (ক) ৰাজ্যিক প্ৰাধিকৰণে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰভাৱী কৰাৰ প্ৰয়োজনাৰ্থে উপবন্ধসমূহৰ প্ৰয়োজনীয় বা সমুচিত হোৱা বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ, এই অধিনিয়মৰ উপবন্ধসমূহ আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মসমূহৰ সৈতে অসঙ্গত নোহোৱাকৈ বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মসমূহে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৭ৰ উপধাৰা (২)ৰ খণ্ড (ঘ)ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা সম্পাদন কৰিবলগীয়া আন কৃত্যসমূহ ;

(খ) ধাৰা ৮ক ৰ উপধাৰা (১) ৰ অধীনত উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতিৰ ক্ষমতা আৰু কৃত্যসমূহ ;

(গ) ধাৰা ৮কৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতিৰ সদস্য সকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ঘ) ধাৰা ৮কৰ উপধাৰা (৪)ৰ অধীনত উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতিৰ সদস্যসকল আৰু সচিবজনৰ পদাৱধি আৰু সেই সম্পৰ্কে থকা আন চৰ্ত্তসমূহ ;

(ঙ) ধাৰা ৯ৰ উপধাৰা (৪)ৰ অধীনত জিলা প্ৰাধিকৰণৰ সদস্যসকল আৰু সচিবজনৰ পদাৱধি আৰু সেই সম্পৰ্কে থকা আন চৰ্ত্তসমূহ ;

(চ) ধাৰা ৮কৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অধীনত উচ্চ ন্যায়ালয় বিধিক সেৱা সমিতিৰ সদস্য সকলৰ সংখ্যা, অভিজ্ঞতা আৰু অৰ্হতাসমূহ ;

(ছ) ধাৰা ১০ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত জিলা প্ৰাধিকৰণৰ দ্বাৰা সম্পাদন কৰিব লগীয়া আন কৃত্যসমূহ ;

(জ) ধাৰা ১১ক ৰ উপধাৰা (৩)ৰ অধীনত তালুক বিধিক সেৱা সমিতিৰ সদস্যসকল আৰু সচিবজনৰ পদাৱধি আৰু সেই সম্পৰ্কে থকা আন চৰ্ত্তসমূহ ।]

নিয়মাৱলী আৰু বিনিয়মাৱলী প্ৰণয়ন।

৩০। (১) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম আৰু তাৰ অধীনত কেন্দ্ৰীয় প্ৰাধিকৰণে প্ৰণয়ন কৰা প্ৰত্যেক বিনিয়ম প্ৰণীত হোৱাৰ পিচত যিমান সোনকালে সম্ভৱ হয় অধিবেশন চলি থকা সময়ত এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উ থাপন কৰিব লাগিব আৰু যদিহে উপৰোক্ত অব্যবহিত পৰবৰ্ত্তি অধিবেশন বা ক্ৰমাগত অধিবেশনৰসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে কোনো নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত এই নিয়ম বা বিনিয়ম, ইয়াৰ পিচত এনে সাল-সলনিৰ ৰূপত মাথোন প্ৰভাৱী হব বা যথাস্থিতি, প্ৰভাৱহীন হব, সেই বাবে যিয়েই নহওঁক, এনে সাল-সলনি বা ৰদকৰণে সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব ।

(২) ৰাজ্য চৰকাৰে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা প্ৰত্যেক নিয়ম আৰু ইয়াৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণে প্ৰণয়ন কৰা প্ৰত্যেক বিনিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলৰ সমক্ষত উ থাপিত কৰা হব।